**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-10-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰিছে। কালি অন্তিম দিনটোত আটাইকেইটা ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি মুঠ ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। কালি বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈ উপস্থিতিত মনোনয়ন দাখিল কৰে। আনহাতে ছিদলী বিধানসভা সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত আৰু বঙাইগাঁৱৰ অগপৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়ে দলৰ সভাপতি অতুল বৰা, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, সাংসদত্ৰয় ফণী ভূষণ চৌধুৰী, জয়ন্ত বসুমতাৰী আৰু ৰণগৌৰা নাৰ্জাৰীকে ধৰি বহু জ্যেষ্ঠ নেতা তথা সমৰ্থকক সংগী কৰি মনোনয়ন পত্ৰ দাখিল কৰে। সমষ্টিটোৰ কংগ্ৰেছৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহয়ো কালি মনোনয়ন পত্ৰ দাখিল কৰে। সিংহই মনোনয়ন পত্ৰ দাখিলৰ সময়ত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতাদ্বয় ভূপেন বৰা আৰু মীৰা বৰঠাকুৰ উপস্থিত থাকে।

ইপিনে, আম আদমী পাৰ্টীৰ প্ৰাৰ্থী অনন্ত গগৈয়ে বিহালীত আৰু নুৰুল আমীন চৌধুৰীয়ে চামগুৰিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলপৰ্বত নুৰুল আমীন চৌধুৰীৰ লগত আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় নেতা উপস্থিত থাকে। অনন্ত গগৈৰ সৈতেও দলৰ ৰাষ্ট্ৰীয় তত্বাৱধায়ক ৰাজেশ শৰ্মাকে ধৰি ৰাজ্যিক পৰ্যায়ৰ কেইবাজনো নেতা উপস্থিত থাকে।

অহা সোমবাৰে মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব। উল্লেখযোগ্য যে অহা ১৩ নৱেম্বৰত ধলাই, চামগুৰি, বিহালী, চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে শাসকীয় ভাৰতীয় জনতা পাৰ্টিয়ে ৩ খন আৰু মিত্ৰদল ইউপিপিএল তথা অসম গণ পৰিষদ দলে এখনকৈ আসনৰ বাবে মনোনয়ন দাখিল কৰিছে। ইয়াৰ বিপৰীতে কংগ্ৰেছ দলে পাঁচোটা, আম আদমী পাৰ্টিয়ে দুটা আৰু বিপিএফে এটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবাঢ়িছে।

0000000

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ গুৱাহাটীত উপস্থিত হ'ব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

0000000

শিৱসাগৰ জিলাৰ কোৱামৰা সন্দিকৈ গাঁৱত যোৱা কিছুদিন ধৰি  আতংকৰ সৃষ্টি কৰি অহা এটা নাহৰফুটুকী বাঘ বন বিভাগে পিঞ্জৰাবদ্ধ কৰিবলৈ সমৰ্থ হৈছে। বাঘটোৱে দীৰ্ঘদিন ধৰি অঞ্চলটোৰ ৰাইজৰ পোহনীয়া জীৱ-জন্তু ভক্ষণ কৰি ক্ষতি-সাধন কৰি আহিছিল। বন বিভাগে স্থাপন কৰা পিঞ্জৰাত কালি সন্ধিয়া আবদ্ধ হোৱা বাঘটো বনাঞ্চলত মেলি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বন বিভাগে জানিবলৈ দিছে।

০০০০০০০

দেৱালী, ষঠপূজাৰ লগতে বিভিন্ন উৎসৱৰ সময়ত যাত্ৰীসকলৰ সুবিধাৰ বাবে উত্তৰ ৰে'লৱেই আজিৰে পৰা অহা মাহৰ ৭ তাৰিখলৈ অতিৰিক্ত ১৯৫ খন বিশেষ ৰে'লৰ চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। এই ৰে'লসমূহ প্ৰধানতঃ নতুন দিল্লী আৰু আনন্দ বিহাৰ ৰে'লৱে ষ্টেচনৰ পৰা দেশৰ পূব অংশৰ বিভিন্ন ঠাইলৈ চলাচল কৰিব। আকাশবাণী বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত উত্তৰ ৰে'লৱেৰ মহাপ্ৰবন্ধক অশোক কুমাৰ বাৰ্মাই কয় যে, যাত্ৰীসকলৰ সুবিধাৰ বাবে ৰে'ল বিভাগে ৰে'লসমূহত এক লাখ ৭০ হাজাৰতকৈ অধিক অতিৰিক্ত আসনৰ ব্যৱস্থা কৰিছে। তেওঁ লগতে কয় যে, এই বিশেষ ৰে'লসমূহত অসংৰক্ষিত শ্ৰেণীৰ যাত্ৰীসকলৰ বাবে প্ৰায় ৫৪ হাজাৰ অতিৰিক্ত আসন সংযোজন কৰা হৈছে। তেওঁ কয় যে, যাত্ৰীৰ বৰ্ধিত সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি নতুন দিল্লী আৰু আনন্দ বিহাৰ ৰে'লৱে ষ্টেচনত যাত্ৰীসকলৰ বাবে বিশেষ জিৰণি স্থানৰ ব্যৱস্থা কৰা হৈছে। তেওঁ নতুন দিল্লীৰ ৰে'লৱে ষ্টেচনৰ পৰা যাবলগীয়া ৰে'ল গাড়ীসমূহ ষ্টেচনটোৰ প্লেটফৰ্ম নম্বৰ ১৬ৰে চলাচল কৰিব বুলিও প্ৰকাশ কৰে।

০০০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি তৃতীয়দিনা নিজৰ দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। কালি খেলৰ সামৰণিৰ পৰলৈকে দলটোৱে ৫ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৯৮ ৰান সংগ্ৰহ কৰি খেলি আছিল। দলটোৰ হৈ গ্লেন ফিলিপছে ২৯টা বলত ৯ ৰান আৰু টম ব্লাণ্ডেলে ৩০ ৰান কৰি অপৰাজিত হৈ আছে। আলহী দলটো হাতত ৫টা উইকেট বাকী থকা অৱস্থাত ভাৰততকৈ সামগ্ৰিকভাৱে ৩০১ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত সংগ্ৰহ কৰা ২৫৯ ৰানৰ প্ৰত্যুত্তৰত ভাৰতে ১৫৬ ৰানতে প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ অলৰাউণ্ডাৰ মিছেল চেণ্টনাৰে প্ৰথম ইনিংছত ৭টা উইকেট দখল কৰে। নিউজিলেণ্ড এই তিনিখনীয়া শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। আলহী দলটোৱে বাংগালুৰুত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক ৮ উইকেটত পৰাস্ত কৰিছিল।

০০০০০০০

**সমাপ্ত**